# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 13-08-2026
**Time :** 1:40 PM

ASSAMESE MIDDAY NSD BULLETIN

## HEADLINES

::::::::::::::::::

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকসন্ধ্যা আজি ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব।

২। বিভাজন বিভীষিকা স্মৃতি দিৱস উপলক্ষে কেন্দ্ৰীয় গৃহমন্ত্ৰী  আৰু প্ৰতিৰক্ষা মন্ত্ৰীয়ে ১৯৪৭ চনত দেশ বিভাজনৰ সময়ত প্ৰাণ হেৰুওৱা আৰু অসহনীয় বেদনাৰ সন্মুখীন হোৱা সকলো লোকলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

৩। সমগ্ৰ ৰাষ্ট্ৰই কাইলৈ ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীৰ ঐতিহাসিক লালকিল্লাৰ পৰা এই উদযাপনৰ গুৰি ধৰিব।

৪। আৰক্ষী, অগ্নি নিৰ্বাপক সেৱা, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগৰ সাহসিকতা আৰু সেৱা পদকৰ বাবে এহেজাৰ ৫৭ গৰাকী বিষয়া-কৰ্মচাৰীৰ নাম ঘোষণা কৰা হৈছে।

আৰু

৫। কেন্দ্ৰীয় তথ্য আয়োগে যোৱা ১২ আগষ্ট পৰ্য্যন্ত ৭৬৮ টা গোচৰ নিষ্পত্তি কৰা বুলি স্পষ্ট কৰি দিছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকসন্ধ্যা আজি ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। আকাশবাণীয়ে সন্ধিয়া ৭ বজাৰ পৰা ৰাষ্ট্ৰপতিৰ ভাষণ পোনপটীয়াকৈ প্ৰচাৰ কৰিব। দূৰদৰ্শনৰ সকলো চেনেলযোগেও এই ভাষণ সম্প্ৰচাৰ কৰা হ'ব। হিন্দী আৰু ইংৰাজী ভাষণৰ ঠিক পাছতেই দূৰদৰ্শনৰ আঞ্চলিক কেন্দ্ৰসমূহে নিজ নিজ আঞ্চলিক ভাষাত ৰাষ্ট্ৰপতিৰ ভাষণ সম্প্ৰচাৰ কৰিব। আকাশবাণীয়ে নিশা চাৰে ৯ বজাত ৰাষ্ট্ৰপতিৰ ভাষণৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।

ইয়াৰ পৰিপ্ৰেক্ষিতত আজি সন্ধিয়া ৭ বাজি ১০ মিনিটত প্ৰচাৰ হোৱা অসমীয়া বাতৰি সন্ধিয়া ৭ বাজি ৫০ মিনিটত প্ৰচাৰ কৰা হ'ব।

ooooo

আজি বিভাজন বিভীষিকা স্মৃতি দিৱস। এই উপলক্ষে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ১৯৪৭ চনত দেশ বিভাজনৰ সময়ত প্ৰাণ হেৰুওৱা আৰু অসহনীয় বেদনাৰ সন্মুখীন হোৱা সকলো লোকলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শ্ৰী শ্বাহে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ১৯৪৭ চনৰ ১৪ আগষ্টৰ দিনটো ইতিহাসৰ সবাতোকৈ বৰ্বৰ অধ্যায় বুলি অভিহিত কৰে। তেওঁ কয়, যে এই দিনটোতে কোটি কোটি লোকে নিজৰ ঘৰ, সম্পত্তি আৰু প্ৰিয়জনক এৰি আন ঠাইলৈ যাবলৈ বাধ্য হৈছিল।  গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে মোদী চৰকাৰে

বিভাজন বিভীষিকা স্মৃতি দিৱস উপলক্ষে এই ঘটনাৰ স্মৃতি যুৱ-প্ৰজন্মলৈ লৈ যোৱাৰ চেষ্টা চলাইছে যাতে দেশক বিভাজিত কৰিব খোজা শক্তিসমূহ কেতিয়াও সফল হ'ব নোৱাৰে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে তেওঁৰ বাৰ্তাত কয়, যে এই দিনটোৱে সকলোকে দেশ বিভাজনৰ বিভীষিকাৰ কথা সোঁৱৰাই দিয়ে। তেওঁ লগতে কয়, যে এই দিনটোৱে নিজৰ ঘৰ, পৰিয়াল, সম্পত্তি আৰু আপোনজনক হেৰুওৱাৰ পাছতো নিজৰ জীৱন গঢ়াৰ দৃঢ় সংকল্প লোৱা লোকসকলৰ সংগ্ৰাম, অদম্য সাহস আৰু ত্যাগক প্ৰতিফলিত কৰে।

ooooo

সমগ্ৰ ৰাষ্ট্ৰই কাইলৈ ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লীৰ ঐতিহাসিক লালকিল্লাৰ পৰা এই উদযাপনৰ গুৰি ধৰিব। বায়ুসেনাৰ Mi-17 শ্ৰেণীৰ দুখন হেলিকপ্তাৰেৰে অনুষ্ঠানস্থলীত পুষ্পবৃষ্টি কৰা হ'ব। ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ লগে লগে ২১ টা টোপধবনিৰে অভিবাদন জনোৱা হ'ব। পুষ্পবৃষ্টিৰ পাছত প্ৰধানমন্ত্ৰীয়ে লালকিল্লাৰ প্ৰাচীৰৰ পৰা ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব।

ooooo

৮০ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাক ক্ষণত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি বিয়লি ৫ বাজি ১০ মিনিটত সৈনিকসকলক উদ্দেশ্যি ভাষণ দিব। আকাশবাণীৰ এফ এম গ'ল্ড আৰু ইন্দ্ৰপ্ৰস্থ চেনেলযোগে এই ভাষণ প্ৰচাৰ কৰা হ'ব।

ooooo

লালকিল্লাত হ'বলগীয়া ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ অনুষ্ঠানত অংশগ্ৰহণৰ বাবে ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ পৰা প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা আঁচনিৰ ১০০ গৰাকী হিতাধিকাৰীক আমন্ত্ৰণ জনোৱা হৈছে। ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ মন্ত্ৰ্যালয়ে জনোৱা মতে এই হিতাধিকাৰীসকলক তেওঁলোকৰ কামৰ স্বীকৃতি স্বৰূপে একোটাকৈ স্মাৰক প্ৰদান কৰা হ'ব। ইয়াৰ পাছত মন্ত্ৰ্যালয়ৰ বিষয়াসকলে তেওঁলোকৰ সৈতে মত বিনিময় কৰিব। আমন্ত্ৰিত হিতাধিকাৰীসকল প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা আঁচনিৰ অধীনত দৰ্জী, কাঠমিস্ত্ৰী, সোণাৰি, কমাৰকে ধৰি অন্যান্য ১৮ বিধ পৰম্পৰাগত ব্যৱসায়ৰ সৈতে জড়িত। এই হিতাধিকাৰীসকলে এই আঁচনিৰ অধীনত পঞ্জীয়ন, প্ৰাথমিক দক্ষতাৰ প্ৰশিক্ষণ আৰু অন্যান্য সুবিধাসমূহ লাভ কৰিছে। বিশেষ অতিথিসকলৰ ভিতৰত বিভিন্ন পৰম্পৰাগত ব্যৱসায়ৰ সৈতে জড়িত মহিলা কাৰিকৰো আছে। স্বাধীনতা দিৱসৰ অনুষ্ঠানত পি এম বিশ্বকৰ্মাৰ হিতাধিকাৰীসকলৰ অংশগ্ৰহণ ভাৰতৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যলৈ পৰম্পৰাগত কাৰিকৰ আৰু শিল্পীসকলৰ অনবদ্য অৱদানৰ স্বীকৃতি বুলি মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে।

ooooo

কেন্দ্ৰীয় চৰকাৰে চলিত বৰ্ষৰ স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি আৰক্ষী, অগ্নি নিৰ্বাপক সেৱা, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগৰ সাহসিকতা আৰু সেৱা পদকৰ বাবে এহেজাৰ ৫৭ গৰাকী বিষয়া-কৰ্মচাৰীৰ নাম ঘোষণা কৰিছে। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে সাহসিকতাৰ পদকৰ বাবে ২৭২ গৰাকী আৰক্ষী আৰু ২৯ গৰাকী অগ্নি নিৰ্বাপক সেৱাৰ জোৱানকে ধৰি তিনিশ এগৰাকী জোৱানৰ নাম সম্বলিত এখন তালিকা আজি প্ৰকাশ কৰে। উল্লেখযোগ্য যে জীৱন আৰু সম্পত্তিৰ সুৰক্ষা, অপৰাধ প্ৰতিহতকৰণ আৰু অপৰাধীক আটক কৰাৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰা বিশেষ সাহসী ভূমিকাৰ বাবে এই বঁটা প্ৰদান কৰা হয়। এইবেলি সাহসিকতা বঁটাৰ তালিকাত ১৯৭ গৰাকী

বামপন্থী সন্ত্ৰাসবাদ কবলিত এলেকাত, ৫১ গৰাকী জম্মু আৰু কাশ্মীৰত, ১২ গৰাকী উত্তৰ-পূৰ্বাঞ্চলত আৰু ৪১ গৰাকী দেশৰ আন বিভিন্ন অংশত কৰ্মৰত জোৱানৰ নাম অন্তৰ্ভুক্ত হৈছে।

আনহাতে মুঠ ৯২ গৰাকী জোৱানলৈ বিশেষ সেৱাৰ বাবে ৰাষ্ট্ৰপতিৰ পদকৰ আগবঢ়োৱা হৈছে। এই তালিকাত আৰক্ষী সেৱাৰ ৮৩ গৰাকী, অগ্নি নিৰ্বাপক সেৱাৰ চাৰিগৰাকী, অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী সেৱাৰ তিনিগৰাকী আৰু সংস্কাৰমূলক সেৱাৰ দুগৰাকী জোৱানৰ নাম অন্তৰ্ভুক্ত হৈছে। এইবোৰৰ বাহিৰেও কৃতিত্বমূলক সেৱাৰ বাবে ৬৬৪ টা পদক আগবঢ়োৱাৰ বিষয়ে ঘোষণা কৰা হৈছে। এই তালিকাত আৰক্ষী সেৱাৰ ৬০৬ গৰাকী, অগ্নি নিৰ্বাপক সেৱাৰ ২৮ গৰাকী, অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী সেৱাৰ ১৮ গৰাকী আৰু সংস্কাৰমূলক সেৱাৰ ১২ গৰাকী জোৱানে স্থান লাভ কৰিছে।

ooooo

স্বাধীনতা দিৱস উপলক্ষে কেন্দ্ৰীয় তদন্তকাৰী ব্যুৰ' - চি বি আইয়ে ২১ জন বিষয়াক বিশিষ্ট সেৱাৰ বাবে ৰাষ্ট্ৰপতিৰ পদক আৰু প্ৰশংসনীয় সেৱাৰ বাবে পদকেৰে সন্মানিত কৰা হ'ব। বিশিষ্ট সেৱাৰ বাবে ছগৰাকী বিষয়াক ৰাষ্ট্ৰপতিৰ পদক প্ৰদান কৰা হ'ব। তেওঁলোক হৈছে – সহকাৰী আৰক্ষী মহা-পৰিদৰ্শক শোভা দত্ত, অতিৰিক্ত আৰক্ষী অধীক্ষক মনোজ বেনাৰ্জী, গিন্নি ৰানা আৰু উপ-আৰক্ষী অধীক্ষক সঞ্জয় কুমাৰ সমল।

ooooo

ভাৰত আৰু ভিয়েটনাম প্ৰগতিশীল আৰু দূৰদৰ্শী ৰাষ্ট্ৰ বুলি ভিয়েটনামত থকা ভাৰতৰ ৰাষ্ট্ৰদূত শ্বেৰিং ডব্লিউ চেৰপাই প্ৰকাশ কৰিছে। দেশ দুখনৰ মাজৰ সম্পৰ্কত আলোকপাত কৰি ৰাষ্ট্ৰদূতগৰাকীয়ে কয়, যে ভাৰত আৰু ভিয়েটনামে প্ৰত্যাহ্বানক সুযোগলৈ ৰূপান্তৰিত কৰাৰ লগতে ইখনে সিখনৰ পৰা শিক্ষা গ্ৰহণ কৰিছে। তেওঁ কয়, যে সদিচ্ছাৰ সুদৃঢ় ভেঁটি, উমৈহতীয়া বিশ্বাস আৰু সন্মানৰ সম্পৰ্কই এই পাৰস্পৰিক অংশীদাৰিত্বক শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। কাইলৈ ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ বাবে নতুন দিল্লীয়ে প্ৰস্তুতি চলোৱাৰ সময়তে ভিয়েটনামৰ এখন ইংৰাজী দৈনিক কাকতত লেখা এটা প্ৰবন্ধত ভাৰতীয় ৰাষ্ট্ৰদূতগৰাকীয়ে এইদৰে উল্লেখ কৰে। ভাৰতৰ এক্ট ইষ্ট নীতি আৰু মহাসাগৰ দৰ্শনত ভিয়েটনামক এটা গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি শ্ৰী চেৰপাই আছিয়ান ৰাষ্ট্ৰসমূহৰ ভিতৰত ভাৰতৰ কেন্দ্ৰীয় ভূমিকাৰ প্ৰতি থকা প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। শ্ৰী চেৰপাই ভাৰত-ভিয়েটনাম সম্পৰ্কৰ বিকাশ - উমৈহতীয়া সভ্যতাগত সম্পৰ্ক, বুদ্ধত্ব, ইতিহাস আৰু সংস্কৃতিৰ ভেঁটিত গঢ়ি উঠা বুলি উল্লেখ কৰে।

ooooo

মাদক দ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰো- এন চি বি য়ে নিচাযুক্ত দ্ৰব্য সৰবৰাহৰ সৈতে জড়িত পলাতক অপৰাধী বীৰেন্দৰ সিং বাছোয়াক সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰৰ পৰা ভাৰতলৈ অনাৰ পথ প্ৰশস্ত কৰা বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সংস্থাটোৰ শলাগ লৈছে। অপৰাধীজনক আজি নিচেই পুৱাতে নতুন দিল্লীৰ ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হোৱাৰ পাছতেই ব্যুৰোৱে জিম্মাত লয়। সংযুক্ত আৰব আমীৰি ৰাষ্ট্ৰৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে ভাৰতীয় সংস্থাসমূহৰ সহযোগিতামূলক পদক্ষেপৰ জৰিয়তে নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহকাৰীজনক ভাৰতলৈ অনাটো সম্ভৱপৰ হৈ উঠে।

নিচাযুক্ত দ্ৰব্য সৰবৰাহৰ বিৰুদ্ধে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা শূন্য সহনশীলতাৰ নীতিৰ ক্ষেত্ৰত এই সফলতাককেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে এটা নতুন মাইলৰ খুঁটি বুলি অভিহিত কৰে। সামাজিক মাধ্যমত দিয়া এটা

বাৰ্তাত শ্ৰী শ্বাহে এই সফলতা বিদেশত আত্মগোপন কৰি থকা নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহকাৰীৰ বিৰুদ্ধে নৰেন্দ্ৰ মোডী চৰকাৰে গ্ৰহণ কৰা কঠোৰ ব্যৱস্থাৰ সুফল বুলি মত প্ৰকাশ কৰে। তেওঁ লগতে কয় যে, এনে অবৈধ দ্ৰব্যৰ সৰবৰাহ সৈতে জড়িত অপৰাধীসকল যি ঠাইতেই লুকাই নাথাকক কিয়, তেনেলোক যে দীৰ্ঘদিনলৈ ভাৰতীয় আইনৰ আওতাৰ বাহিৰত থাকিব নোৱাৰে, সেই কথাকে দেশৰ তদন্তকাৰী সংস্থাসমূহে প্ৰমাণ কৰি দেখুৱালে।

উল্লেখযোগ্য যে বিদেশৰ পৰা নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহৰ বাবে ষড়যন্ত্ৰমূলকভাৱে কাৰ্যকলাপ চলাই থকা বুলি চিনাক্ত কৰি বীৰেন্দৰ সিং বাছোয়া নামৰ অপৰাধীজনৰ সন্ধানত এন চি বিয়ে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে ইণ্টাৰপোলৰ জাননীকে ধৰি আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত ভালেমান কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হৈছিল। এনে প্ৰক্ৰিয়াৰ অধীনতে মহম্মদ ছালিম দোলাক তুৰ্কীৰ পৰা আৰু নবীন চিচকাৰক মালয়েছিয়াৰ পৰা ওভতাই অনাকে ধৰি নিচাযুক্ত দ্ৰব্যৰ কেইবাজনো সৰবৰাহকাৰীক ইতিমধ্যে ভাৰতলৈ অনাটো সম্ভৱপৰ হৈ উঠিছে।

ooooo

কেন্দ্ৰীয় তথ্য আয়োগে যোৱা ১২ আগষ্ট পৰ্য্যন্ত ৭৬৮ টা গোচৰ নিষ্পত্তি কৰা বুলি স্পষ্ট কৰি দিছে। সংশ্লিষ্ট একাংশ গোচৰ সন্দৰ্ভত দ্বিতীয় বাৰৰ বাবে জনোৱা আবেদন তথা অভিযোগ সন্দৰ্ভত সংবাদ মাধ্যমত প্ৰকাশ পোৱা এটা বাতৰিৰ বিষয়ে স্পষ্টীকৰণ দি আয়োগে এই কথা প্ৰকাশ কৰে। নিষ্পত্তি হোৱা গোচৰৰ সংখ্যাৰ বিষয়ে প্ৰকাশ পোৱা তথ্যৰ সৈতে আয়োগৰ দ্বাৰা নিষ্পত্তি হোৱা গোচৰৰ প্ৰকৃত সংখ্যাৰ মিল নাই বুলিও কেন্দ্ৰীয় তথ্য আয়োগে প্ৰকাশ কৰিছে। যোৱা ১ আগষ্টলৈকে সন্নিবিষ্ট কৰা তথ্যৰ আধাৰত বাতৰি প্ৰকাশ পাইছিল বুলি উল্লেখ কৰি আয়োগে কয় যে ৰুজু হোৱা গোচৰ আৰু নিষ্পত্তি হোৱা গোচৰৰ শেহতীয়া তথ্য পৰৱৰ্তী সময়ত ২ আগষ্টৰ পৰা নিয়মীয়াকৈ প'ৰ্টেলত সন্নিবিষ্ট কৰা হৈ আহিছে। এনে কাৰণতে ৱেবছাইটত বৰ্তমানলৈ দৃশ্যমান হৈ থকা তথ্যই আগষ্ট মাহটোত নিষ্পত্তি কৰা মুঠ গোচৰৰ সংখ্যাক প্ৰতিফলিত কৰা বুলি ধৰি লোৱাটো যুক্তিসংগত নহয় বুলিও আয়োগে লগতে প্ৰকাশ কৰে।

ooooo

সমাপ্ত